**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-12-2024 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

বিৰোধী সাংসদসকলে আজি এটা আগশাৰীৰ ব্যৱসায় গোষ্ঠীৰ বিৰুদ্ধে উত্থাপিত উৎকোচৰ অভিযোগক লৈ সংসদ ভৱন চৌহদত প্ৰতিবাদ সাব্যস্ত কৰে। লোকসভাত বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধী, কংগ্ৰেছ, ডি এম কে, আৰ জে ডি আৰু অন্য দলৰ সাংসদসকলে প্ৰতিবাদত ভাগ লয়। সাংসদসকলে বিষয়টো যুঁটীয়া সংসদীয় কমিটীৰ দ্বাৰা তদন্ত কৰিবলৈ দাবী জনাই ধ্বনি দিয়ে। ইপিনে, কেন্দ্ৰীয় মন্ত্ৰী গিৰিৰাজ সিঙে সংসদ ভৱনত সাব্যস্ত কৰা প্ৰতিবাদক লৈ বিৰোধী পক্ষক তীব্ৰ সমালোচনা কৰে। সংসদ ভৱনৰ বাহিৰত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই প্ৰতিবাদক নাটক আখ্যা দিয়ে।

০০০০০০০০

অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি মহাৰাষ্টত কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ্ আৰু দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাৰ সৈতে বৈঠকত মিলিত হোৱাৰ কথা। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কালি নতুন দিল্লীত এখন সংবাদমেলত পৰহিলৈ অসম মন্ত্ৰীসভাৰ সামান্য সম্প্ৰসাৰণ কৰা হ'ব বুলি উল্লেখ কৰে। এই সম্প্ৰসাৰণত কোন কোন নতুন মন্ত্ৰী অন্তৰ্ভুক্ত হ'ব সেয়া আজি দলৰ কেন্দ্ৰীয় নেতৃত্বৰ সৈতে আলোচনাৰ পাছতহে সিদ্ধান্ত লোৱা হ'ব বুলিও মুখ্যমন্ত্ৰী শৰ্মাই মন্তব্য কৰে। লগতে এইবাৰ মন্ত্ৰীসভাত বৰাক উপত্যকাৰ পৰা এগৰাকী সদস্যক প্ৰতিনিধি অন্তৰ্ভুক্ত কৰাৰ কথাও তেওঁ উল্লেখ কৰে।

০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা দেৱেন্দ্ৰ ফাড়নবিছে আজি তৃতীয়বাৰৰ বাবে মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত ল'ব। মুম্বাইৰ ঐতিহাসিক আজাদ ময়দানত বিয়লি চাৰে ৫ বজাত হ'বলগীয়া এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণে শ্ৰীফাড়নবিছক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱাব। উল্লেখযোগ্য যে শ্ৰীফাড়নবিছক কালি সৰ্বসন্মতি ক্ৰমে বিজেপি বিধায়িনী দলৰ নেতা হিচাপে নিৰ্বাচিত কৰা হয়। শ্ৰী ফাড়ণবিছে কালি মিত্ৰজোঁটৰ শিৱসেনাৰ নেতা একনাথ সিন্দে আৰু এন চি পিৰ মুৰববী অজিত পাৱাৰৰ সৈতে ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণক সাক্ষাৎ কৰে আৰু মহাৰাষ্ট্ৰত চৰকাৰ গঠনৰ বাবে দাবী উত্থাপন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, এন ডি এ শাসনাধিস্থিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু কেন্দ্ৰীয় মন্ত্ৰীসকল এই শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকিব।

ৰাজ্যপালৰ সৈতে হোৱা বৈঠকৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীফাড়নবিছে কয়, যে শিৱসেনা আৰু এন চি পিৰ বাহিৰেও ৰাষ্ট্ৰীয় সমাজপক্ষ, জনসূৰ্য শক্তি দল, যুৱ স্বাভিমান পক্ষৰ ৰবি ৰানা আৰু দুগৰাকী নিৰ্দলীয় বিধায়কে তেওঁলৈ সমৰ্থন আগবঢ়াইছে।

০০০০০

ধুবুৰীৰ ঐতিহ্যমণ্ডিত শ্ৰীগুৰু টেগ বাহাদুৰ ছাহিব গুৰুদ্বাৰত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ৩৪৯ সংখ্যক শ্বহীদী দিৱস পালন কৰা হৈছে। শিখসকলৰ নৱম গুৰু টেগ বাহাদুৰে স্থাপন কৰা ধুবুৰীৰ এই

গুৰুদ্বাৰত আয়োজিত এই দিৱসৰ কাৰ্যসূচীত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ লগতে দেশ-বিদেশৰ পৰা বহুলোকে  অংশগ্ৰহণ কৰিছে।

বিগত বছৰবোৰৰ দৰে এইবাৰো উত্তৰ-পূব সীমান্ত ৰে'লৰে কৰ্তৃপক্ষই শ্বহীদী দিৱস উপলক্ষে ডিব্ৰুগড়-ধুবুৰী এখন বিশেষ যাত্ৰীবাহী ৰে'লৰ ব্যৱস্থা কৰিছে। আনহাতে তিনিদিনীয়া এই শ্বহীদী দিৱসৰ সামৰণিৰ দিনটো অৰ্থাৎ অহা ৭ ডিচেম্বৰৰ বিয়লি ধুবুৰীৰ পৰা ডিব্ৰুগড়লৈ আন এখন বিশেষ ৰে'লগাড়ীৰো ব্যৱস্থা কৰা হৈছে বুলি ৰে'ল কৰ্তৃপক্ষই প্ৰকাশ কৰিছে।

oooooo

নতুন সাহিত্য পৰিষদ নামৰ সাহিত্য সংগঠনটোৰ অহা ১, ২ আৰু ৩ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া দ্বি-বাৰ্ষিক ৰাজ্যিক সন্মিলন উপলক্ষে ৰাজ্যিক পৰ্যায়ৰ সাহিত্য প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ৫০ বছৰ অনুৰ্ধ্বৰ সকলো লোকে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব। প্ৰতিযোগিতাত শ্ৰেষ্ঠ বিবেচিত গল্পৰ বাবে বিপুল খাটনিয়াৰ বঁটা, কবিতাৰ বাবে বিজনলাল চৌধুৰী বঁটা আৰু প্ৰবন্ধৰ বাবে মুকুট ভট্টাচাৰ্য সোঁৱৰণী বঁটা আগবঢ়োৱা হ'ব। বিজয়ী প্ৰতিযোগীসকলক সন্মিলনৰ মুকলি সভাত পুৰস্কৃত কৰা হ'ব। প্ৰবন্ধ প্ৰতিযোগিতাৰ বাবে সাম্প্ৰতিক অসমীয়া সাহিত্য আৰু সমাজ বাস্তৱতাক বিষয় হিচাপে লোৱা হৈছে। প্ৰবন্ধৰ বাবে সৰ্বাধিক শব্দ সংখ্যা দুহেজাৰ ৫০০ নিৰ্ধাৰণ কৰা হৈছে। অহা ১৫ জানুৱাৰী বা তাৰ আগেয়ে পোৱাকৈ লেখাসমূহ হোৱাট্‌ছ এপ নম্বৰ  84748-92614 বা 98541-38815 অথবা ই-মেইল ghananath1234@gmail.com লৈ পঠিয়াব পাৰে।

oooooooo

শোণিতপুৰ জিলাৰ বৰছলাৰ তেলীয়াগাঁৱত বনৰীয়া হাতীৰ উপদ্ৰৱৰ ফলত জনসাধাৰণৰ সমস্যাৰ সৃষ্টি হৈছে। তেলীয়াগাঁৱৰ চাপৰিত খাদ্যৰ সন্ধানত ওলাই অহা বনৰীয়া হাতীটোৱে খেতিপথাৰ তহিলং কৰাৰ ফলত কৃষকসকলৰ বিস্তৰ ক্ষতি হৈছে। অঞ্চলটোৰ ৰাইজে বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে বন বিভাগক অনুৰোধ জনাইছে।

oooooooo

ব্ৰীছবেনত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাত আজি ভাৰতীয় মহিলা দলটো ঘৰুৱা দল অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। ভাৰতে প্ৰথমে বেট ধৰি বাতৰি যুগুতোৱাৰ পৰলৈকে ২৮ অ'ভাৰত ছটা উইকেট হেৰুৱাই ৯২ ৰান সংগ্ৰহ কৰিছে।

ooooooo

সমাপ্ত